# অসম বিধান সভা
# লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা
## বুধবাৰ, ২২ জুলাই, ২০২৬

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম চুক্তি ৰূপায়ণ,
সীমান্ত সুৰক্ষা আৰু উন্নয়ন, আবকাৰী, কৃষি,
জলসিঞ্চন, সংসদীয় পৰিক্ৰমা,
জলসম্পদ আৰু ন্যায়।

---

প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৪৭

*Sub.* : **Illegally run Baghbar Cattle Market.**

Shri SHERMAN ALI AHMED :

401. Will the Minister of Panchayat and Rural Development Department be pleased to state :

(a) As per reply of starred QN. 178 dated 11-03-2025, neither the Govt. in P & R D had accorded approval nor Director of AH & Vety. had issued registration certificate to Baghbar Cattle Market and hence running of the same is illegal for violation of Section 107 of Assam Panchayat Act and Rule 7 of the Assam Cattle Perservation Rules, 2022. Will the Government furnish details as to why the illegal cattle market is allowed to run ?

(b) Why DC, Barpeta has not stopped such illegality in blatant violation of the existing laws ?

(c) DC, Barpeta had mentioned in his letter No. BD/VET/2023-24/BCM/1483 dtd. 23-08-2023 that "... there is no authority of the Anchalik Panchayat to interfere with any market..." whereas Section 107 of the Act stipulates "... without prior approval of the concerned panchayat authorities...." Is AP not a panchayat authority ?

(d) If yes, how DC, Barpeta could state in his letter that "... there is no autority of the Anchalik Panchayat to interfere with any market....."?

*বিষয়ঃ* **বাওখুংগৰী LACত গ্ৰাম্য Infrastructure আৰু জীৱিকা ভিত্তিক উন্নয়ন।**

শ্ৰীৰূপম চন্দ্ৰ ৰয় ঃ

৪০২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বাওখুংগৰী LAC ত যোৱা ৫ বছৰত Panchayat & Rural Development Department ৰ অধীনত ৰূপায়ণ কৰা গ্ৰাম্য Infrastructure, community asset creation আৰু Livelihood-based project সমূহৰ scheme-wise, block-wise আৰু present status সহ পূৰ্ণ তথ্য সদনত দাখিল কৰিব নেকি?

*বিষয় ঃ* **গোচৰ নিষ্পত্তি সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৪০৩। মাননীয় ন্যায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান বিচাৰকৰ অনুমোদিত পদ, কৰ্মৰত পদ আৰু খালী পদ কিমান? জিলাভিত্তিক তথ্য দিব। খালী পদসমূহ কেতিয়া পূৰণ কৰিব?

(খ) অসমত বৰ্তমান মুঠ কিমানটা গোচৰ বিচাৰাধীন আছে? দেৱানী আৰু ফৌজদাৰী গোচৰৰ পৃথক তথ্য দিব।

(গ) বিগত পাঁচ বছৰত কিমানটা গোচৰ নিষ্পত্তি কৰা হৈছে? বছৰ ভিত্তিক পৃথকে পৃথকে তথ্য দিব।

(ঘ) অসমত কিমানজন ব্যক্তিয়ে বিনামূলীয়া আইনী সহায় লাভ কৰিছে? বিগত পাঁচ বছৰৰ জিলাভিত্তিক তথ্য দিব।

(ঙ) ৰাজ্যখনত কিমানটা Fast Track Court, Special Court আৰু Commercial Court কাৰ্য্যৰত হৈ আছে ?

(চ) মহিলা আৰু শিশু নিৰ্যাতনৰ গোচৰ দ্ৰুত নিষ্পত্তিৰ বাবে চৰকাৰে কি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে? বিতংভাৱে জনাব।

(ছ) E-Court ব্যৱস্থা অসমৰ কিমান শতাংশ আদালতত সম্পূৰ্ণৰূপে কাৰ্য্যকৰী হৈছে?

(জ) অসমত লোক আদালতৰ (Lok Adalat) জৰিয়তে বিগত পাঁচ বছৰত কিমানটা গোচৰ নিষ্পত্তি কৰা হৈছে? বছৰ হিচাপে পৃথকে পৃথকে তথ্য দিব।

(ঝ) অসমত আণ্ডাৰট্ৰায়েল (Undertrial) বন্দীৰ সংখ্যা কিমান? দীৰ্ঘদিন ধৰি বিচাৰাধীন বন্দীৰ সংখ্যা কিমান? জিলা হিচাপে তথ্য দিব।

*বিষয় ঃ* **বিদেশী চিনাক্তকৰণ**

ড° জয় প্ৰকাশ দাস ঃ

৪০৪। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ চনৰ ১ এপ্ৰিলৰ পৰা ৩১ ডিচেম্বৰ ২০২৫ চনলৈ অসমত কিমান বিদেশী চিনাক্ত কৰা হ'ল আৰু কিমানক বিতাৰণ কৰা হ'ল?

(খ) বিদেশীসকল কোন জিলাত চিনাক্ত কৰা হৈছে, জিলা ভিত্তিক তথ্য দিব।

(গ) চিনাক্ত বিদেশীসকলক কোন, কেনেকৈ বিতাৰণ কৰা হ'ল, সবিশেষ তথ্য সদনত দাখিল কৰিব।

*বিষয় ঃ* **কৃষি ভূমি সন্দৰ্ভত**

শ্ৰীমৃণাল শইকীয়া ঃ

৪০৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) খুমটাই সমষ্টিত ৰবি শস্যৰ বাবে উপযোগী কিমান কৃষি ভূমি আছে?

(খ) এই কৃষি ভূমিৰ কিমান অংশত জলসিঞ্চনৰ ব্যৱস্থা আছে?

(গ) এই সাৰুৱা ভূমিত ১০০ শতাংশ জলসিঞ্চনৰ ব্যৱস্থা চৰকাৰে হাতত ল'বনে?

*বিষয় ঃ* **অসম চুক্তি ৰূপায়ণৰ সন্দৰ্ভত**

মোঃ নুৰুল হুদা ঃ

৪০৬। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰ দায়বদ্ধনে? যদি হয়, অসম চুক্তিৰ আধাৰত ১৯৭১ চনৰ ২৫ মাৰ্চৰ পূৰ্বে অসমলৈ অহা প্ৰতিজন ব্যক্তিৰ নাগৰিকত্ব আৰু সংবিধান প্ৰদত্ত সকলো অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত চৰকাৰ দায়বদ্ধ হয়নে?

(খ) ১৯৭১ চনৰ ২৫ মাৰ্চ অথবা তাৰ পৰৱৰ্তীকালত অসমত প্ৰৱেশ কৰা প্ৰতিজন ব্যক্তিক চিনাক্ত কৰি বহিষ্কাৰ কৰাটো চৰকাৰৰ দায়িত্ব বুলি গণ্য কৰেনে?

(গ) নাগৰিকত্ব সংশোধনী আইন, ২০১৯ অসম চুক্তিৰ দফাসমূহৰ পৰিপন্থী হয়নে? যদি হয়, অসম চুক্তিৰ দফাসমূহ সুৰক্ষিত কৰিবলৈ কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? (উত্তৰ বিস্তৃত তথ্যসহ দিব।)

*Sub.* : **Cold Storage for Mariani**

Shri RUPJYOTI KURMI :

407. Will the Minister of Agriculture Department be pleased to state:

(a) Is the Government aware that in Mariani there are farmers who cultivate all seasonal agricultural products through out the year ?

(b) If yes, will the Government take steps to set up a Cold Storage for Mariani ?

(c) If yes, by when ?

*বিষয় ঃ* **"শীতল ঘৰ" (COLD STORAGE HOUSE)**

শ্ৰীমজিবুৰ ৰহমান ঃ

৪০৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

দলগাঁও বিধানসভাৰ অন্তৰ্গত নিজ খাৰুপেটীয়াত অসম চৰকাৰে ৰাজকোষৰ কেইবা কোটি টকা খৰচ কৰি নিৰ্মাণ কৰা শীত-তাপ নিয়ন্ত্ৰিত "শীতল-ঘৰ" (COLD STORAGE HOUSE) টো কিহৰ কাৰণে কোনো নিবিদা সংগ্ৰহ নকৰি পৰিত্যক্ত অৱস্থাত পেলাই থৈছে? অসম চৰকাৰে উক্ত শীতল ঘৰটো কৃষকসকলৰ উপকাৰ হোৱাকৈ কেতিয়াৰ পৰা কাৰ্য্যক্ষম কৰি তুলিব? এই ক্ষেত্ৰত অসম চৰকাৰে কেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

*বিষয় ঃ* **গড়াখহনীয়া প্ৰতিৰোধ, মথাউৰি নিৰ্মাণ**

শ্ৰীতাঞ্জিল হুছেইন ঃ

৪০৯। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলসম্পদ বিভাগে বিগত তিনিটা বিত্তীয় বৰ্ষত সমগ্ৰ ৰাজ্যত মুঠ কিমান টকা মঞ্জুৰী দিছিল আৰু কিমান টকা ইতিমধ্যে খৰচ কৰিছে? (মঞ্জুৰীকৃত ধন আৰু আঁচনিৰ বিতং তথ্য জিলা ভিত্তিত সদনত দাখিল কৰিব।)

(খ) উক্ত বিভাগে নগাঁও জিলাত সৰ্বমুঠ কিমানটা বান্ধ আৰু মথাউৰি আঁচনিৰ কাম সম্পূৰ্ণ কৰিছে? (আঁচনিৰ নাম আৰু মঞ্জুৰীকৃত ধনৰ পৰিমাণসহ তথ্য সদনত দাখিল কৰিব।)

(গ) চামগুৰি সমষ্টিত উক্ত বিভাগে গড়াখহনীয়া প্ৰতিৰোধ, মথাউৰি নিৰ্মাণ বা বান্ধ আদিৰ কাম কৰিছে নে? যদি কৰিছে, কোন কোন ঠাইত কৰিছে? বিতংভাৱে জনাব।

*বিষয় ঃ* **পঞ্চায়ত প্ৰতিনিধিসকলৰ দৰমহা বৃদ্ধি**

শ্ৰীবিকাশ শইকীয়া ঃ

৪১০। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পঞ্চায়তৰ সীমা পুণৰ নিৰ্ধাৰণ কৰাৰ পিছত বৰ্তমান বহু জিলা পৰিষদ সমষ্টিৰ পাঁচৰ পৰা দহটা পঞ্চায়ত লৈ গঠন কৰা হৈছে। যাৰ বাবে জিলা পৰিষদৰ সদস্যসকলৰ নিজা জিলা পৰিষদ এলেকাত ঘূৰিবৰ বাবে যিমান পৰিমাণৰ অৰ্থৰ প্ৰয়োজন হয় সিমান পৰিমাণৰ পাৰিতোষিক নাপায়। একেদৰে পঞ্চায়তৰ সভাপতি, আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু ৱাৰ্ড সদস্যসকলো সামান্য পাৰিতোষিকত সেৱা আগবঢ়াবলগীয়া হৈছে। বিষয়টো চৰকাৰৰ অৱগত নে?

(খ) পঞ্চায়ত প্ৰতিনিধিসকলৰ দৰমহা বৃদ্ধিৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? (সদনত জনাব)

(গ) স্বীকৃতিপ্ৰাপ্ত অভিযন্তা (Accredited Engineer) সকলৰ লগতে GRS, GPC সকলে বছৰ বছৰ ধৰি বিভিন্ন পঞ্চায়তত সেৱা আগবঢ়াই আহিছে আৰু তেওঁলোকৰ দৰমহাও বঢ়োৱা হোৱা নাই আৰু চাকৰিসমূহো ঠিকাভিত্তিতে আছে। চৰকাৰে তেওঁলোকৰ দৰমহা বৃদ্ধিৰ লগতে চাকৰিসমূহ নিয়মীয়াকৰণৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

*বিষয় ঃ* **জমা জল নিষ্কাশন ও মডেল ভিলেজ সম্পৰ্কিত।**

শ্ৰীজাকাৰিয়া আহমেদ ঃ

৪১১। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) গ্ৰামাঞ্চলে বিভিন্ন এলাকায় জমা জল নিষ্কাশন সমস্যার ব্যাপারে সরকার অবগত কি? যদি অবগত থাকেন, তাহলে জমা জল নিষ্কাশনের জন্য সরকার কোনো পরিকল্পনা বা প্রকল্প গ্রহণ করেছে কি? যদি থাকে, তবে তার বিস্তারিত তথ্য সদনে দাখিল করার অনুরোধ জানাই।

(খ) উত্তর করিমগঞ্জ সমষ্টির অন্তর্গত মাছলি গ্রামকে মডেল ভিলেজ হিসেবে উন্নয়নের জন্য সরকার কত টাকা Sanction করেছে, কত টাকা রিলিজ করা হয়েছে এবং কত টাকা এখনো পেন্ডিং রয়েছে তার প্রকল্পভিত্তিক বিস্তারিত তথ্য সদনে প্রদান করার অনুরোধ জানাই।

*বিষয় ঃ* **পাঁচগ্রাম নদী ভাঙন রোধ সম্পর্কিত**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

৪১২। মাননীয় জলসম্পদ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

NABARD থেকে প্রাপ্ত অর্থ কাটিগড়া সমষ্টিতে জলসম্পদ বিভাগের বিভিন্ন উন্নয়নমূলক কাজে ব্যবহারের জন্য সরকারের কোনো পরিকল্পনা আছে কি? যদি থাকে, তার বিস্তারিত তথ্য সদনে দাখিল করবেন।

*বিষয় ঃ* **আঁচনি সন্দৰ্ভত**

শ্ৰীধৰ্মেশ্বৰ ৰয় ঃ

৪১৩। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত কিমানটা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয় আছে? খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয় বৃদ্ধি কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে নে?

(খ) বজালী সমষ্টিত কিমান পি এম এ ৱাই (PMAY) আঁচনিৰ গৃহ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু কিমান সংখ্যক গৃহ নিৰ্মাণ কৰিবলৈ এতিয়াও বাকী আছে?

(ক) অসমৰ ব্ৰহ্মপুত্ৰ আৰু অন্যান্য নদ-নদীৰ গৰাখহনীয়াৰ ফলত ৰাজ্যখনত কৃষিভূমি, বাসগৃহ, পথ-দলং, ৰাজহ ভূমি আৰু জনজীৱন বছৰে বছৰে ব্যাপকভাৱে ক্ষতিগ্ৰস্থ হৈ আহিছে। এই পৰিপ্ৰেক্ষিতত গৰাখহনীয়া প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে চৰকাৰে কোনো দীৰ্ঘম্যাদী, বিজ্ঞানসন্মত আৰু স্থায়ী ব্যৱস্থা অথবা আঁচনি গ্ৰহণ কৰিছে নেকি?

(খ) বৰপেটা সমষ্টিৰ অন্তৰ্গত ঐতিহাসিক বহৰি অঞ্চলৰ লগতে ঐতিহ্যপূৰ্ণ ডক্ৰেশ্বৰ দেৱালয়ৰ সুৰক্ষাৰ্থে গৰাখহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে কোনো আঁচনি বা প্ৰকল্প গ্ৰহণ কৰিছে নেকি? যদি কৰিছে জনাব।

(গ) উক্ত সমষ্টিৰ অন্তৰ্গত গৰাখহনীয়া প্ৰৱণ অঞ্চলসমূহত কি কি প্ৰকল্প অনুমোদিত, ৰূপায়িত বা নিৰ্মাণাধীন হৈ আছে? জনাব।

*বিষয় ঃ* **Geo-tagging সন্দৰ্ভত**

ড০ তপন দাস ঃ

৪১৬। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰাম্য (PMAY-G) ৰ অধীনত জিঅ'টেগ (Geo-Tagging) বা কাৰিকৰী ক্ৰুটিৰ বাবে কিমানগৰাকী হিতাধিকাৰীৰ গৃহ নিৰ্মাণৰ কিস্তি আৱদ্ধ হৈ আছে? (জিলাভিত্তিত তথ্য সদনত দাখিল কৰিব)

(খ) জিঅ'টেগিং, মোবাইল এপৰ কাৰিকৰী ক্ৰুটি, ইন্টাৰনেট সংযোগৰ অভাৱ, ভুল তথ্য আপলোড আদিৰ ফলত কিমানটা অভিযোগ লাভ কৰা হৈছে আৰু ইয়াৰে কিমানটা অভিযোগ নিষ্পত্তি কৰা হৈছে?

(গ) জিঅ'টেগিং সমস্যাৰ বাবে গৃহ নিৰ্মাণৰ কিস্তি লাভৰ পৰা বঞ্চিত হোৱা প্ৰকৃত হিতাধিকাৰীসকলৰ সমস্যা সমাধানৰ বাবে চৰকাৰে কি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ৰাজ্যজুৰি কিমানজন গ্ৰামসেৱক-সেৱিকা আছে? তেওঁলোকৰ Promotion ৰ ব্যৱস্থা আছেনে? যদি আছে, কেতিয়ালৈ Promotion ৰ ব্যৱস্থা কৰা হ'ব?

(ঘ) বজালী সমষ্টিৰ পঞ্চায়তৰ কাৰ্য্যালয় ভৱনসমূহৰ উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছেনে?

*বিষয় ঃ* **জলসিঞ্চন বিভাগৰ আঁচনি**

শ্ৰীমতী দীপ্তিময়ী চৌধুৰী ঃ

৪১৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমান জলসিঞ্চন আঁচনি আছে ইয়াৰে কিমান কাৰ্য্যক্ষম আৰু কিমান অ-কাৰ্য্যক্ষম?

(খ) বৰ্তমানলৈ অসমত কৃষি ভূমিৰ কিমান অঞ্চল বিভাগে সামৰি লৈছে? অনাগত সময়ত সকলো কৃষিভূমি জলসিঞ্চন বিভাগে সামৰি ল'ব নেকি?

(গ) কাৰ্য্যক্ষম জলসিঞ্চন বিভাগৰ আঁচনিসমূহৰ দ্বাৰা ৰাইজে নিয়মীয়াভাৱে পানী পাবলৈ সক্ষম হৈছেনে?

(ঘ) বঙাইগাঁও সমষ্টিত কিমান জলসিঞ্চন বিভাগৰ আঁচনি আছে? ইয়াৰে কিমান আঁচনি কাৰ্য্যক্ষম আৰু কিমান আঁচনি অ-কাৰ্য্যক্ষম? অ-কাৰ্য্যক্ষম আঁচনিসমূহ কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা বিভাগে কৰিব নেকি?

*বিষয় ঃ* **গৰাখহনীয়া প্ৰতিৰোধ সম্পৰ্কে**

শ্ৰীদীপক কুমাৰ দাস ঃ

৪১৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ঘ) এই সমস্যাসমূহ দ্ৰুত সমাধানৰ বাবে জিলা আৰু গাঁও পঞ্চায়ত পৰ্য্যায়ত বিশেষ কাৰিকৰী দল নিয়োগ কৰাৰ কোনো পৰিকল্পনা আছেনে?

(ঙ) ডিমৰীয়া সমষ্টিত কিমান সংখ্যক দুখীয়া পৰিয়ালৰ বৰ্তমানেও জিঅ'টেগ কৰা হোৱা নাই আৰু দুখীয়া পৰিয়াল সমূহক পুনৰ জিঅ'টেগ কৰাৰ বিশেষ অভিযান চলোৱা হ'ব নেকি?

(চ) জিঅ'টেগিং সম্পন্ন হোৱাৰ পিছতো কিস্তি মুকলি নোহোৱা গৃহ সমূহৰ সংখ্যা কিমান আৰু কেতিয়ালৈ এই সমস্যা সমাধান হ'ব? (জিলা ভিত্তিত তথ্য সদনত দাখিল কৰিব)

*বিষয় ঃ* **ধানক্ৰয় কেন্দ্ৰ**

ডাঃ আচিফ মঃ নাজাৰ ঃ

৪১৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

মৰিগাঁও জিলা FCI ৰ অধীনত ৮ টাকৈ ধান ক্ৰয় কেন্দ্ৰ আছে চৰকাৰ অৱগত নে? যদি অৱগত, ৮ টাকৈ ধান ক্ৰয় কেন্দ্ৰ থকাৰ পিছতো কৃষকে কিয় ধানৰ উচিত মূল্য পোৱা নাই?

*বিষয় ঃ* **আত্মসহায়ক গোট সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৪১৮। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান আত্মসহায়ক গোট আছে? উন্নয়ন খণ্ড ভিত্তিক তালিকা দিব।

(খ) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অন্তৰ্গত কি কি ধৰণৰ কৰ্মচাৰী অসমত নিযুক্তি দিয়া হৈছে? ইয়াৰে কিমানজন স্থায়ী আৰু কিমান ঠিকাভিত্তিক আছে? ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ নিযুক্তি কেতিয়া নিয়মীয়াকৰণ কৰা হ'ব? বিতংভাৱে জনাব।

(গ) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অন্তৰ্গত কোন কোন কৰ্মচাৰীয়ে চৰকাৰৰ পৰা কি কি সুবিধা লাভ কৰে? জনাব।

(ঘ) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অন্তৰ্গত কৰ্মৰত Jeevika Sakhi, Bank Sakhi, Krishi Sakhi, Pashu Sakhi, CRP-EP আৰু Bima Sakhi ৰ ভিতৰত কোনে কোনে কি কি চৰকাৰী সা-সুবিধা লাভ কৰে? বিতং ভাৱে জনাব। এইসকলৰ ভিতৰত কোনে কোনে স্কুটী লাভ কৰিছে? তাৰ তালিকা দিব। স্কুটী নোপোৱাসকলে কেতিয়া স্কুটী লাভ কৰিব? বিতংভাৱে জনাব।

*বিষয় ঃ* **মেম্বাৰ সকলৰ পাৰিতোষিক সম্পৰ্কে**

ড° জয় প্ৰকাশ দাস ঃ

৪১৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জিলা পৰিষদৰ সদস্য, আঞ্চলিক পঞ্চায়তৰ সদস্য, গাঁও পঞ্চায়তৰ সভাপতি, ৱাৰ্ড মেম্বাৰসকলৰ মাহিলি পাৰিতোষিক কিমান? এই পাৰিতোষিক মাহে মাহে আদায় দিয়েনে? যদি দিয়ে, মাহৰ কোন তাৰিখে DBT কৰে?

(খ) এই পাৰিতোষিক আগন্তুক দিনত বৃদ্ধিৰ কিবা পৰিকল্পনা চৰকাৰৰ আছেনে? সবিশেষ জনাব।

(গ) উক্ত বিভাগৰ ঠিকাভিত্তিক Gram Rozgar Sohayak, Gaon Panchayat co-ordinator, Accredited engineer, Account Assistant, Computer Assistant, Block Programme Manager, District Programme Manager কে ধৰি প্ৰায় ৮০০০ কৰ্মচাৰী আছে। এই কৰ্মচাৰীসকলৰ ৬০ বছৰ বয়সলৈ চাকৰি সুনিশ্চিত কৰাৰ কেবিনেটত সিদ্ধান্ত লোৱা হৈছিল, এই সিদ্ধান্ত কাৰ্য্যকৰী হ'লনে? যদি হোৱা নাই, কেতিয়াৰ পৰা হ'ব? জনাব।

(ঘ) উক্ত পদ সমূহত সেৱা আগবঢ়াই থকা ৪৫ বছৰতকৈ কম যি সকল কৰ্মচাৰীয়ে ১০ বছৰ কাৰ্য্যকাল অতিক্ৰম কৰিলে সেইসকলৰ প্ৰতি চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*বিষয় ঃ* নদীভাঙন নিয়ন্ত্ৰণৰ বাবে

শ্ৰীপবিত্ৰ ৰাভা ঃ

৪২০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ৰাজ্যখনৰ নদীভাঙনপ্ৰৱণ অঞ্চলসমূহত নদীভাঙন নিয়ন্ত্ৰণৰ বাবে চৰকাৰে কোনো বিস্তৃত পৰিকল্পনা প্ৰস্তুত কৰিছে নেকি? যদি কৰিছে, তেন্তে জিলাভিত্তিক বিৱৰণ দিব।

*বিষয় ঃ* **ASRLMৰ সখী সম্পৰ্কে**

শ্ৰীমৃণাল শইকীয়া ঃ

৪২১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কিমান প্ৰকাৰৰ সখী ASRLMত অন্তৰ্ভুক্ত হৈ আছে?

(খ) অসমত মুঠ কিমান সখী কৰ্মৰত হৈ আছে?

(গ) তেওঁলোকৰ পাৰিতোষিক কি ধৰণৰ?

(ঘ) এই সখীসকলে কি ধৰণৰ কামত নিয়োজিত হৈ থাকে?

(ঙ) তেওঁলোকৰ কামৰ বোজা অনুসৰি মাননী কম, গতিকে তেওঁলোকক বছৰি এটা ভাট্টা দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি?

*বিষয় ঃ* **খৰাং আৰু কৃষক, শস্য বীমা আঁচনি**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৪২২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বহু জিলাত খৰাঙৰ বাবে কৃষকে ধানকে ধৰি অন্যান্য খেতি কৰিব পৰা নাই। এই বিষয়ে বিভাগটো অৱগতনে? কোন কোন জিলাত এই সমস্যাৰ উদ্ভৱ হৈছে, কিমান কৃষিভূমি প্ৰভাৱিত হৈছে আৰু কৃষকক সকাহ দিবৰ বাবে কি ব্যৱস্থা লোৱা হৈছে? বিতংকৈ জনাব।

(খ) খৰাং আৰু বানপানীত যেতিয়া খেতি নষ্ট হয় তেতিয়া কৃষকক কেনেদৰে সকাহ দিয়া হয়? ২০১৬ৰ পৰা এই পৰ্য্যন্ত খৰাং আৰু বানপানীত ক্ষতিগ্ৰস্ত হোৱা কিমান কৃষকক কি কি আঁচনিৰ অধীনত কিমান টকা ক্ষতিপূৰণ দিয়া হ'ল? তাৰ বৰ্ষ আৰু জিলা ভিত্তিক সম্পূৰ্ণ তথ্য দাখিল কৰিব।

(গ) ২০১৬ চনৰ পৰা এতিয়ালৈকে শস্য বীমা আঁচনিৰ অধীনত ছমৰীয়া সমষ্টিতে ধৰি অন্য সমষ্টিত কিমান কৃষকে আবেদন কৰিছে আৰু কিমানে সহায় পাইছে? তাৰ বিতং তথ্য জনাব।

(ঘ) অসমৰ কৃষকক খৰাং আৰু বানপানী সহনশীল ধান খেতিৰ বাবে বিভাগটোৱে কেনেদৰে সহায় কৰিছে? শেহতীয়া বানপানীত অসমৰ কোন জিলাত কিমান কৃষিভূমি নষ্ট হৈছে আৰু কিমান টকাৰ ক্ষতি হৈছে? জনাব।

(ঙ) ছমৰীয়া সমষ্টিৰ কৃষকক উন্নত প্ৰযুক্তি, কৌশলেৰে কৃষি কাৰ্য্য সম্পাদনৰ বাবে বিভাগটোৱে কি ব্যৱস্থা লৈছে? ভৱিষ্যতে কি পৰিকল্পনা ল'ব সেই বিষয়ে বিতংকৈ জনাব।

(চ) পাম অইলৰ (Palm Oil) খেতিৰ বাবে অসম উপযুক্ত ৰাজ্য হয়নে? অসমত কোন কোন জিলাত, কিমান কৃষিভূমিত এই খেতি কৰা হৈছে আৰু কি কি আঁচনি কাৰ্য্যকৰী কৰা হৈছে? বিতংকৈ জনাব।

(ঘ) উক্ত পদ সমূহত সেৱা আগবঢ়াই থকা ৪৫ বছৰতকৈ কম যি সকল কৰ্মচাৰীয়ে ১০ বছৰ কাৰ্য্যকাল অতিক্ৰম কৰিলে সেইসকলৰ প্ৰতি চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*বিষয় ঃ* **নদীভাঙন নিয়ন্ত্ৰণৰ বাবে**

শ্ৰীপবিত্ৰ ৰাভা ঃ

৪২০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ৰাজ্যখনৰ নদীভাঙনপ্ৰৱণ অঞ্চলসমূহত নদীভাঙন নিয়ন্ত্ৰণৰ বাবে চৰকাৰে কোনো বিস্তৃত পৰিকল্পনা প্ৰস্তুত কৰিছে নেকি? যদি কৰিছে, তেন্তে জিলাভিত্তিক বিৱৰণ দিব।

*বিষয় ঃ* **ASRLMৰ সখী সম্পৰ্কে**

শ্ৰীমৃণাল শইকীয়া ঃ

৪২১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কিমান প্ৰকাৰৰ সখী ASRLMত অন্তৰ্ভুক্ত হৈ আছে?

(খ) অসমত মুঠ কিমান সখী কৰ্মৰত হৈ আছে?

(গ) তেওঁলোকৰ পাৰিতোষিক কি ধৰণৰ?

(ঘ) এই সখীসকলে কি ধৰণৰ কামত নিয়োজিত হৈ থাকে?

(ঙ) তেওঁলোকৰ কামৰ বোজা অনুসৰি মাননী কম, গতিকে তেওঁলোকক বছৰি এটা ভাট্টা দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি?

*বিষয় ঃ* **খৰাং আৰু কৃষক, শস্য বীমা আঁচনি**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৪২২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বহু জিলাত খৰাঙৰ বাবে কৃষকে ধানকে ধৰি অন্যান্য খেতি কৰিব পৰা নাই। এই বিষয়ে বিভাগটো অৱগতনে? কোন কোন জিলাত এই সমস্যাৰ উদ্ভৱ হৈছে, কিমান কৃষিভূমি প্ৰভাৱিত হৈছে আৰু কৃষকক সকাহ দিবৰ বাবে কি ব্যৱস্থা লোৱা হৈছে? বিতংকৈ জনাব।

(খ) খৰাং আৰু বানপানীত যেতিয়া খেতি নষ্ট হয় তেতিয়া কৃষকক কেনেদৰে সকাহ দিয়া হয়? ২০১৬ৰ পৰা এই পৰ্য্যন্ত খৰাং আৰু বানপানীত ক্ষতিগ্ৰস্ত হোৱা কিমান কৃষকক কি কি আঁচনিৰ অধীনত কিমান টকা ক্ষতিপূৰণ দিয়া হ'ল? তাৰ বৰ্ষ আৰু জিলা ভিত্তিক সম্পূৰ্ণ তথ্য দাখিল কৰিব।

(গ) ২০১৬ চনৰ পৰা এতিয়ালৈকে শস্য বীমা আঁচনিৰ অধীনত ছমৰীয়া সমষ্টিতে ধৰি অন্য সমষ্টিত কিমান কৃষকে আবেদন কৰিছে আৰু কিমানে সহায় পাইছে? তাৰ বিতং তথ্য জনাব।

(ঘ) অসমৰ কৃষকক খৰাং আৰু বানপানী সহনশীল ধান খেতিৰ বাবে বিভাগটোৱে কেনেদৰে সহায় কৰিছে? শেহতীয়া বানপানীত অসমৰ কোন জিলাত কিমান কৃষিভূমি নষ্ট হৈছে আৰু কিমান টকাৰ ক্ষতি হৈছে? জনাব।

(ঙ) ছমৰীয়া সমষ্টিৰ কৃষকক উন্নত প্ৰযুক্তি, কৌশলেৰে কৃষি কাৰ্য্য সম্পাদনৰ বাবে বিভাগটোৱে কি ব্যৱস্থা লৈছে? ভৱিষ্যতে কি পৰিকল্পনা ল'ব সেই বিষয়ে বিতংকৈ জনাব।

(চ) পাম অইলৰ (Palm Oil) খেতিৰ বাবে অসম উপযুক্ত ৰাজ্য হয়নে? অসমত কোন কোন জিলাত, কিমান কৃষিভূমিত এই খেতি কৰা হৈছে আৰু কি কি আঁচনি কাৰ্য্যকৰী কৰা হৈছে? বিতংকৈ জনাব।

*বিষয় ঃ* **উন্নয়ন খণ্ড বিষয়াৰ কাৰ্য্যালয়**

মোঃ নুৰুল ইছলাম ঃ

৪২৩। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৃজনগ্ৰাম সমষ্টিৰ ভিতৰত সৰ্বমুঠ কিমানখন গাঁও পঞ্চায়ত অন্তৰ্গত হৈ আছে? এই গাঁও পঞ্চায়ত সমূহৰ ভিতৰত কোনটো গাঁও পঞ্চায়ত কোন উন্নয়ন খণ্ড বিষয়াৰ কাৰ্য্যালয়ৰ অন্তৰ্গত? (বিস্তৃত তথ্যসহ দিব)

(খ) ইয়াৰে সৃজনগ্ৰাম উন্নয়ন খণ্ড বিষয়াৰ কাৰ্য্যালয়টো কোনটো বিধানসভা সমষ্টিৰ এলেকাত অৱস্থিত?

(গ) সৃজনগ্ৰাম খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয়টো সৃজনগ্ৰাম সমষ্টিৰ ভৌগোলিক এলেকাৰ বাহিৰত অৱস্থিত থকা বাবে সৃজনগ্ৰাম সমষ্টিৰ অন্তৰ্গত গাঁও পঞ্চায়তৰ ৰাইজৰ সমস্যা হোৱাৰ বিষয়ে চৰকাৰ অৱগত হয় নে? (বিস্তৃত তথ্যসহ দিব)

(ঘ) সৃজনগ্ৰাম সমষ্টিৰ অন্তৰ্গত এলেকাৰ যিকেইখন গাঁও পঞ্চায়ত সৃজনগ্ৰাম সমষ্টিৰ বাহিৰত অৱস্থিত সৃজনগ্ৰাম খণ্ড উন্নয়ন বিষয়া কাৰ্য্যালয়ৰ অন্তৰ্ভুক্ত হৈ আছে, সেইকেইখন গাঁও পঞ্চায়তক লৈ সৃজনগ্ৰাম সমষ্টিৰ ভিতৰত দ্বিতীয়খন খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয় স্থাপনৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰিব নে? (বিস্তৃতি তথ্যসহ দিব)

*বিষয় ঃ* **পঞ্চায়ত প্ৰতিনিধিসকলৰ মাননী আৰু পঞ্চায়ত কাৰ্য্যালয়ৰ নিৰ্মাণ সন্দৰ্ভত।**

শ্ৰীচক্ৰধৰ গগৈ ঃ

৪২৪। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান পঞ্চায়তৰ ৱাৰ্ড সদস্যৰ পৰা জিলা পৰিষদৰ সদস্যলৈকে পদৱী অনুসৰি এইসকলৰ মাহেকীয়া মাননী কিমান টকাকৈ দিয়া হয়? বিতংকৈ জনাব।

(খ) পঞ্চায়ত প্ৰতিনিধিসকলৰ মাননী ভৱিষ্যতে বৃদ্ধি কৰাৰ পৰিকল্পনা বিভাগে গ্ৰহণ কৰিছে নেকি? জনাব।

(গ) দুই এখন পঞ্চায়ত কাৰ্য্যালয় নিৰ্মাণ হ'ল যদিও সৰহ সংখ্যক পঞ্চায়ত কাৰ্য্যালয়ে অতি পুৰণি আৰু অনুন্নত। নতুন চৰকাৰে বাকী ৰৈ যোৱা পঞ্চায়ত কাৰ্য্যালয় সমূহ পূৰ্ণাঙ্গ ৰূপত নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰিবনে? জনাব।

*বিষয় ঃ* **MGNREGA আঁচনি ৰূপায়ণ সন্দৰ্ভত**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

৪২৫। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ১০ বছৰত অসমত কিমানখন গাঁও পঞ্চায়তত MGNREGA ৰ কামসমূহৰ Social Audit সম্পূৰ্ণ হৈছে আৰু কিমান গাঁও পঞ্চায়তত বাকী আছে? যদি অসম্পূৰ্ণ Social Audit আছে, তাৰ কাৰণবোৰ কি আৰু ইয়াৰ বাবে কি ব্যৱস্থা লোৱা হৈছে?

(খ) যোৱা ১০ বছৰত গাঁও পঞ্চায়তসমূহৰ দক্ষতা আৰু সজাগতা বৃদ্ধিৰ বাবে বিভাগৰ তৰফৰ পৰা কি কি কৰ্মশালা, প্ৰশিক্ষণ শিবিৰ, চেমিনাৰ বা দক্ষতা বৃদ্ধি কাৰ্যসূচী গ্ৰহণ কৰা হৈছে? এই কাৰ্যসূচীসমূহৰ বাবদ হোৱা মুঠ ব্যয়ৰ বৰ্ষানুযায়ী আৰু জিলানুযায়ী বিতং খতিয়ান দিব।

(গ) যোৱা ১০ বছৰত কোনো দক্ষতা বৃদ্ধি কাৰ্যসূচীৰ বাবে অন্য কোনো প্ৰতিষ্ঠান বা বেচৰকাৰী সংস্থা নিয়োগ কৰা হৈছে নেকি? যদি হৈছে তেন্তে তাৰ বিতং তথ্য তলত দিয়া তালিকানুসৰি দিব।

| প্ৰতিষ্ঠান/ সংস্থা | বৰ্ষ | কাৰ্যসূচী | আৱন্টিত ধন | প্ৰাপ্ত প্ৰশিক্ষণ হিতাধিকাৰীৰ সংখ্যা |
|---|---|---|---|---|
| | | | | |

(ঘ) পঞ্চায়তত আঁচনিভিত্তিক বা ঠিকাভিত্তিত কৰ্মৰত কৰ্মচাৰীৰ পদবিশেষে সম্পূৰ্ণ তালিকা দিব আৰু এই পদসমূহত কৰ্মৰত কৰ্মচাৰীসকলৰ সংস্থাপন সুনিশ্চিত কৰিবলৈ বিভাগে কিবা নীতি গ্ৰহণ কৰাৰ কথা চিন্তা কৰিছে নেকি জনাব।

(ঙ) বিগত ৫ (পাঁচ) বছৰত বছৰি MGNREGA ৰ অধীনত জিলা ভিত্তিত Material Bill আদায়ৰ বাবে কিমান ধন মোকলাই দিয়া হৈছে? বৰপেটা জিলাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে উন্নয়ন খণ্ড ভিত্তিত তথ্য দিব।

*বিষয় ঃ* **জলসিঞ্চনৰ আঁচনিৰ সন্দৰ্ভত**

শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ

৪২৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত স্থাপন কৰা সৰু, মজলীয়া আৰু ডাঙৰ জলসিঞ্চন আঁচনিৰ মুঠ সংখ্যা কিমান আৰু ইয়াৰে কিমান আজিৰ তাৰিখত সম্পূৰ্ণৰূপে কাৰ্য্যক্ষম, আংশিকভাৱে কাৰ্য্যক্ষম আৰু সম্পূৰ্ণৰূপে বন্ধ হৈ আছে তাৰ জিলাভিত্তিক তালিকা দিব।

(খ) যোৱা ১০ টা বিত্তীয় বৰ্ষত জলসিঞ্চন আঁচনিৰ মেৰামতিৰ বাবে ব্যয় কৰা ৰাজহুৱা ধনৰ মুঠ পৰিমাণ আঁচনি অনুযায়ী দিব।

(গ) PMKSYৰ "হৰখেট কো পানী" (HKKP)ৰ অধীনত অসমত কিমান টিউব-ৱেল আৰু পৃষ্ঠীয় জলসিঞ্চন পইন্ট স্থাপনৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল আৰু আজিলৈকে কিমানটা সফলতাৰে ৰূপায়ণ কৰা হৈছে জিলা অনুযায়ী জনাব।

(ঘ) অবৈধ বেদখলৰ ফলত অসমত জলসিঞ্চনৰ নলা বন্ধ হৈ পৰিছে নেকি? যদি পৰিছে, তেন্তে নলাসমূহৰ মুঠ দৈৰ্ঘ্য (কিলোমিটাৰত) কিমান জনাব।

(ঙ) অসমৰ লিফ্‌ট জলসিঞ্চন আঁচনিৰ ভিতৰত বিদ্যুতৰ বিল বাকী থকাৰ বাবে বা এপিডিচিএলৰ পৰা বিদ্যুৎ সংযোগৰ অভাৱৰ বাবে কোনো আঁচনি অকাৰ্য্যকৰী হৈ আছে। যদি আছে, তেন্তে বিতং তথ্য দিব।

*বিষয় ঃ* **অসম-বাংলাদেশ সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ।**

শ্ৰীমতী বেবী বেগম ঃ

৪২৭। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভাৰত-বাংলাদেশ সীমান্ত এলেকাৰ মুঠ দৈৰ্ঘ্য কিমান কিলোমিটাৰ? ইয়াৰে কিমান কিলোমিটাৰ এলেকা অসমৰ ভৌগোলিক পৰিসৰে সামৰি লৈছে? (বিস্তৃত তথ্যসহ দিব।)

(খ) ভাৰত-বাংলাদেশ সীমান্তৰ অসমৰ ভৌগোলিক পৰিসৰৰ মাজত থকা কিমান কিলোমিটাৰ এলেকাত ইতিমধ্যে কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে? বাকীখিনি অঞ্চলত কিমান দিনৰ ভিতৰত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰা হ'ব? (বিস্তৃত তথ্যসহ দিব।)

(গ) নদীসহ দুৰ্গমতাজনিত কাৰণত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰিব নোৱাৰা এলেকাত চোৰাংভাৱে অপৰাধী চক্ৰৰ যাতায়ত কঠোৰভাৱে বন্ধ কৰিবলৈ চৰকাৰ দায়বদ্ধ নে? এই ক্ষেত্ৰত কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? (বিস্তৃত তথ্যসহ দিব।)

(ঘ) ভাৰত-বাংলাদেশ সীমান্ত এলেকাত থকা অসমসহ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে পশ্চিমবঙ্গৰ এশ শতাংশ এলেকাত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰি বাংলাদেশৰ অপৰাধী চক্ৰৰ যাতায়ত তথা অনুপ্ৰৱেশ বন্ধ কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক হেঁচা প্ৰয়োগ কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিব নে? (বিস্তৃত তথ্যসহ দিব)

*Sub.* : **Detection and Deportation**

M. BADRUDDIN AJMAL :

428. Will the Minister of Implementation of Assam Accord Department be pleased to state :

(a) In which clause of the Assam Accord, the matter of updation of NRC is mentioned ? Has NRC been updated in Assam ?

(b) How many applicants are excluded from the Final draft list of updated NRC ? Has the Govt. issued rejection slips to the persons excluded from the final draft list of NRC showing the cause of rejection ? If no, why ?

(c) When will the Government issue rejection slip to the deprived applicants so that they may approach Foreigner's Tribunal to prove their citizenship ?

(d) What is the cut of year to identify the foreign nationals according to Assam Accord ? Is there any provision of religious identity in case of detection of foreigners ? If no, will CAA effect the detection process of foreigners as mentioned in Assam Accord ?

*বিষয় ঃ* **অসমীয়া মানুহৰ সাংবিধানিক ৰক্ষা কৱচ**

শ্ৰীঅখিল গগৈ ঃ

৪২৯। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰী তথ্য অনুসৰি বৰ্তমান অসমত ধৰ্মভিত্তিক (হিন্দু, মুছলমান, খ্ৰীষ্টান) মুঠ বিদেশীৰ সংখ্যা কিমান আৰু এই তথ্যৰ উৎস কি? এন আৰ চি (NRC) ৰ বৰ্তমান আইনী স্থিতি কি? ১৯৮৫ চনৰ পৰা বৰ্তমানলৈকে বছৰি কিমান বিদেশীক চিনাক্ত কৰা হ'ল, ভোটাৰ তালিকাৰ পৰা নাম কাটি বহিস্কাৰ কৰা হ'ল?

(খ) বাংলাদেশ, পাকিস্তান, আফগানিস্তান আদি দেশৰ সৈতে বিদেশী প্ৰত্যাৰ্পণ চুক্তিৰ স্থিতি কি? বৰ্তমানৰ 'পুছবেক' পদ্ধতিৰ সাংবিধানিক বৈধতা আছেনে? যোৱা ৫ বছৰত কিমান বিদেশীক কোন দেশলৈ পুছবেক কৰা হ'ল? বাংলাদেশ সীমান্তৰ কিমান কিলোমিটাৰত কাঁটা তাঁৰৰ বেৰ দিবলৈ বাকী আছে?

(গ) অসম চুক্তিৰ ৬ নং দফা সন্দৰ্ভত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ প্ৰতিবেদন সম্পূৰ্ণ কাৰ্য্যকৰী কৰাৰ আৰু অসমীয়াক সাংবিধানিক ৰক্ষাকৱচ দিয়াৰ নিৰ্দ্দিষ্ট সময়সীমা কি? ইয়াৰ অধীনত ৬ জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰক্ৰিয়া কেতিয়ালৈ সম্পূৰ্ণ হ'ব?

*বিষয় ঃ* **Tied আৰু Untied Fund ৰ সন্দৰ্ভত**

শ্ৰীপৃথিৰাজ ৰাভা ঃ

৪৩০। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গাঁও পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগে Tied আৰু Untied Fundত আমন্ত্ৰন দিয়াৰ ক্ষেত্ৰত বিশেষকৈ Tied শিতানত দিয়া ধন খৰচ কৰাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ লগত যি সম্পৰ্ক ৰক্ষা কৰি কাম কৰা হয় সেই কামবোৰ

কৰাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়। সেই অসুবিধা দূৰ কৰিবলৈ পঞ্চায়ত সমূহক বিশেষ সুবিধা প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব নে?

(খ) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অবিহনে কৰিব নোৱাৰা কামসমূহ কৰিব পৰাৰ কিবা ব্যৱস্থা লোৱা হ'ব নে?

(গ) আগতে Vendor সকলৰ পঞ্জীয়ন ব্যৱস্থা আছিল গতানুগতিক। বৰ্তমান জেম প্ৰ'টেলৰ জৰিয়তে পঞ্জীয়ন কৰাৰ ব্যৱস্থা কৰা হৈছে। যিহেতু এই ব্যৱস্থাৰ দ্বাৰা স্থানীয় লোকে সুবিধা পোৱাৰ পৰিবৰ্তে অন্য ৰাজ্যৰ লোকেও সুবিধা ল'ব পাৰিব। তেনে ক্ষেত্ৰত স্থানীয় লোকক এই সুবিধা লাভৰ বাবে বিভাগে সহজলভ্য ব্যৱস্থা গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **শীতলীকৰণ গৃহ স্থাপন সম্পৰ্কে**

শ্ৰীবলিন চেতিয়া ঃ

৪৩১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শদিয়া সমষ্টিৰ অন্তৰ্গত ছৈখোৱা আৰু কাকপথাৰ অঞ্চলৰ সমূহীয়া প্ৰচেষ্টাৰ বাবে ২০২০ চনত অসমৰ প্ৰথমখন মডেল 'নেমু গাঁও' হিচাপে স্বীকৃতি দিছে। চৰকাৰে কাজি নেমুক ২০২৪ চনত ৰাজ্যিক ফল হিচাপে ঘোষণা কৰিছে আৰু ইয়াৰ Geo-Tag ৰ ব্যৱস্থা কৰিছে। কিন্তু চাহিদা অনুসৰি কাজি নেমুৰ উৎপাদন যথেষ্ট হোৱা হেতুকে বহু মেট্ৰিকটন কাজি নেমু নষ্ট হৈ যায়। ফলত কৃষকসকল ব্যাপক লোকচানৰ সন্মুখীন হয়। এই বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) কাজি নেমুক গুণগত মান অক্ষুণ্ণ ৰাখিবলৈ আৰু বজাৰমূল্য নিয়ন্ত্ৰণৰ বাবে তথা ৰপ্তানি বৃদ্ধিৰ বাবে ছৈখোৱা আৰু কাকপথাৰ অঞ্চলত উচ্চ ক্ষমতাসম্পন্ন অত্যাধুনিক শীতলীকৰণ গৃহ স্থাপনৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে? (সদনত জনাব)

*বিষয় ঃ* **মথাউৰী নিৰ্মাণৰ সম্পৰ্কে**

শ্ৰীবিকাশ শইকীয়া ঃ

৪৩২। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ সৰ্ববৃহৎ নদী ব্ৰহ্মপুত্ৰখন যোৰহাট জিলাৰ ৬৫ কিলোমিটাৰ দৈৰ্ঘ্য কেৱল টীয়ক সমষ্টিটোকে স্পৰ্শ কৰিছে। বৰ্তমান সময়ত নদীখনে টীয়ক সমষ্টিত গৰাখহনীয়াৰ ভয়াবহ ৰূপ ধাৰণ কৰাৰ লগতে মথাউৰীটোৰ বহু কিলোমিটাৰ অতি দুৰ্বল হৈ পৰিছে। গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ADBএ জলসম্পদ বিভাগৰ জৰিয়তে কিছু পুঁজিৰ অনুমোদন জনাইছে যদিও দুৰ্বল মথাউৰীয়ে যথেষ্ট ভাবুকিৰ সৃষ্টি কৰিছে। এই বিষয়ে চৰকাৰ অৱগত নে?

(খ) জাঁজীমুখ নিমাতীৰ ৭ কিলোমিটাৰ, ডাইনীগাঁৱৰ ৪ কিলোমিটাৰ, ন-হাতিয়াৰ ৩.৫ কিলোমিটাৰ, নেঘেৰিটীং-ৰঙাগড়াৰ প্ৰায় ১৫ কিলোমিটাৰ মথাউৰী একেবাৰে জৰাজীৰ্ণ অৱস্থাত আছে। একেদৰে ২ নং স্পাৰৰ অৱস্থা একেবাৰে সংকটজনক। এই ক্ষেত্ৰত চৰকাৰ অৱগত নে?

(গ) যদি অৱগত, এই সমস্যা সমাধানৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে? (সদনত জনাব)।

*Sub.* : **Misappropriation of Rs. 1,19,40,228/- in Mandia Block.**

Shri SHERMAN ALI AHMED :

433. Will the Minister of Panchayat and Rural Development Department be pleased to state:

(a) In view of reply to starred Q N-178 dated 11-03-2025, the

misappropriated fund of Rs. 1,19,40,228/- were fraudulently withdrawn wef 17-04-2023 to 29-09-2023 and an FIR was lodged on 14th Dec, 2023. Will the Govt. state as to why departmental proceeding was not initiated till 07-03-2025 ?

(b) Who are responsible for such inaction for about 15 months even after the FIR was lodged on 14-12-2023 against the delinquent official for misappropriation of huge Government money ?

(c) Whether the DP vide no. CPRD/14/2025/66-68 dated 07-03-2025 is concluded ?

(d) If yes, what are the outcomes of the DP ?

(e) What is the present status of Baghbar PS case no. 81/2023 U/S 120 (B)/420/406/409 IPC in connection with above misappropriation ? (Please furnish a copy of the chargesheet.)

(f) Will the Govt. state as to why in view of such proven misappropriation, how the accused could get bail from the court ? Please furnish all affidavits furnished by the department.

(g) Who were the Government counsels ? What were their roles in the case ?

*বিষয় ঃ* **পঞ্চায়তৰ অন্তৰ্গত মানুহে ঘৰ বনোৱাৰ ক্ষেত্ৰত অনুমতি প্ৰদান সম্পৰ্কে।**

শ্ৰীমজিবুৰ ৰহমান ঃ

৪৩৪। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

গাঁও পঞ্চায়ত এলেকাধীন মানুহবোৰে কোনো নীতি-নিয়ম নামানি ৰাস্তাৰ কাষত বা নলা-নৰ্দমা বন্ধ কৰি আৰু চৰকাৰী মাটি দখল কৰি নিজৰ নিজৰ ঘৰ নিৰ্মাণ কৰাত পৰৱৰ্তী সময়ত চৰকাৰী যিকোনো উন্নয়মূলক আঁচনিৰ কাম কৰিবলৈ যাওঁতে বহু বাধা আৰু অসুবিধাৰ সন্মুখীন হ'বলগা হয়। সেয়েহে চৰকাৰে অসমৰ প্ৰতিটো গাঁও পঞ্চায়তৰ এলেকাধীন মানুহে নিজৰ নিজৰ ঘৰ সাজিবলৈ সংশ্লিষ্ট গাঁও পঞ্চায়তৰ পৰা বিনা খৰচত অনুমতি প্ৰদান (Permission for construction of Houses in Rural Areas) কৰাৰ কিবা ব্যৱস্থা কৰিবনে? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

*বিষয় ঃ* **কৃষকৰ আঁচনি সম্পৰ্কে**

শ্ৰীতাঞ্জিল হুছেইন ঃ

৪৩৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চামগুৰী সমষ্টিত গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি, প্ৰধান মন্ত্ৰী কৃষি সঞ্চয় যোজনা, পূব ভাৰতৰ সেউজ বিপ্লৱ সাধন আৰু ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত কি কি আঁচনি ৰূপায়ণ কৰা হৈছে?

(খ) এই আঁচনি সমূহৰ জৰিয়তে কিমান সংখ্যক কৃষক বা হিতাধিকাৰীয়ে সুবিধা পাবলৈ সক্ষম হৈছে? বিতংভাৱে জনাব।

(গ) উক্ত সমষ্টিত ২০২৪-২৫ আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষত কিমানজনক ট্ৰেক্টৰ আৰু পাৱাৰ টিলাৰ বিতৰণ কৰা হৈছে? (হিতাধিকাৰীৰ তথ্য সহকাৰে সদনত দাখিল কৰিব।)

*বিষয় ঃ* **কোল্ড ষ্ট'ৰেজ নিৰ্মাণ**

মোঃ নুৰুল হুদা ঃ

৪৩৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উপযুক্ত সংৰক্ষণ অভাৱত আৰু কৃষিজাত শস্য উৎপাদনৰ মূল্য নিম্নগামী হোৱা

বাবে কৃষকসকলে লাভজনক মূল্য নোপোৱাৰ বিষয়ে চৰকাৰ অৱগত নে? (বিস্তৃত তথ্যসহ দিব)।

(খ) এই সমস্যাৰ পৰা কৃষকসকলক পৰিত্ৰাণ দিবলৈ চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে? (বিস্তৃত তথ্যসহ দিব)।

(গ) কৃষকসকলৰ উৎপাদিত ফচলৰ লাভজনক মূল্য পোৱাৰ ক্ষেত্ৰত শীতলীকৰণ ভঁৰাল (Cold Storage) সমূহে প্ৰচুৰ পৰিমাণে সহায় কৰাৰ সম্ভাৱনা আছে নে? যদি আছে, অসমত শীতলীকৰণ ভঁৰাল নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰে কি ধৰণে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছে? (বিস্তৃত তথ্যসহ দিব)।

(ঘ) কৃষিজাত সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত বিশিষ্ট ভূমিকা পালন কৰা ৰূপহীহাট বিধানসভা সমষ্টিৰ অন্তৰ্গত এলেকাত দুটা শীতলীকৰণ ভঁৰাল নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰে বিবেচনা কৰিব নে? যদি কৰে এই শীতলীকৰণ ভঁৰাল দুটা কিমান দিনৰ ভিতৰত নিৰ্মাণ কৰা হ'ব? (বিস্তৃত তথ্যসহ দিব)।

*বিষয় ঃ* **কালদিয়া নদীৰ বান্ধৰ আঁচনি সম্পৰ্কে**

শ্ৰীধৰ্মেশ্বৰ ৰয় ঃ

৪৩৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বজালী বিধানসভা সমষ্টিৰ কিমান বিঘা ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে?

(খ) উক্ত সমষ্টিত কিমানখন আঁচনি কাৰ্য্যকৰী হৈ আছে? তালিকা দিব।

(গ) উক্ত সমষ্টিৰ কালদিয়া নদীবান্ধ আঁচনিৰ কিমান কিঃ মিঃ কাৰ্য্যক্ষম হৈ আছে? বাকী খিনি মেৰামতিৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা হৈছে নে?

*Sub.* : **Protection of people residing by Bhogdoi & Janji River.**

Shri RUPJYOTI KURMI :

438. Will the Minister of Water Resources Department be pleased to state:

(a) Is the Govt. aware there is urgent need of protection measure for the Embankment and Ring bundh of both the River Bhogdoi and Janji, flowing through Mariani LAC ?

(b) If yes, will the Govt. take urgent step for the protection of the people & the land ?

(c) If yes, by when and by which scheme ?

*বিষয় ঃ* **অমৃত সৰোবৰ আঁচনি**

ডাঃ অচিফ মঃ নাজাৰ ঃ

৪৩৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও জিলাত কিমানটা অমৃত সৰোবৰ আঁচনি ৰূপায়ণ কৰা হৈছে?

(খ) ব্লক আৰু পঞ্চায়ত ভিত্তিত ৰূপায়ণ কৰা স্থানসহ অমৃত সৰোবৰ সমূহৰ আই ডি নম্বৰৰ তালিকা দিব।

*বিষয় ঃ* **সীমান্ত অঞ্চলৰ উন্নয়নৰ সন্দৰ্ভত**

শ্ৰীপবিত্ৰ ৰাভা ঃ

৪৪০। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসমৰ সীমান্তৱৰ্তী অঞ্চলসমূহৰ উন্নয়নৰ বাবে চৰকাৰে কোনো বিস্তৃত পৰিকল্পনা প্ৰস্তুত কৰিছে নেকি? যদি কৰিছে, তেন্তে জিলাভিত্তিক বিৱৰণ দিব।

*বিষয় ঃ* **ডিটেনছন কেম্পত থকা লোকৰ সংখ্যা আৰু বাংলাদেশক হস্তান্তৰ কৰা লোকৰ তালিকা।**

মোঃ নুৰুল ইছলাম ঃ

৪৪১। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ ডিটেনছন কেম্প আৰু বৰ্তমানৰ ট্ৰেনজিট কেম্পত কিমানজন লোকক বৰ্তমানলৈকে আৱদ্ধ কৰা হৈছিল? বৰ্তমান কিমানজন লোক ট্ৰেনজিট কেম্পত আৱদ্ধ হৈ আছে? (বৰ্ষভিত্তিত ডিটেনছন কেম্প আৰু ট্ৰেনজিট কেম্পত আৱদ্ধ কৰা লোকৰ ঠিকনা আৰু গোচৰৰ সংখ্যা, আটক কৰা তাৰিখ আৰু বৰ্তমান স্থিতি সম্পৰ্কীয় তথ্যসহ সম্পূৰ্ণ তালিকা পৃথকে পৃথকে সংলগ্ন কৰিব)

(খ) অসমৰ ডিটেনছন কেম্পত থকা কিছু সংখ্যক লোকক বাংলাদেশ চৰকাৰৰ হাতত হস্তান্তৰ কৰা কথাটো সঁচা নে? যদি হয়, বাংলাদেশ চৰকাৰক কি প্ৰক্ৰিয়াৰ মাজেৰে কিমানজন লোকক হস্তান্তৰ কৰাৰ পৰিপ্ৰেক্ষিতত বাংলাদেশ চৰকাৰে উক্ত লোকসকলক বাংলাদেশলৈ লৈ গৈছে? (বাংলাদেশ চৰকাৰে লৈ যোৱা লোকৰ ঠিকনাসহ সম্পূৰ্ণ তালিকা সংলগ্ন কৰিব)।

(গ) বাকীসকল লোকক বাংলাদেশ চৰকাৰক হস্তান্তৰ কৰিব নোৱাৰাৰ কাৰণ কি? (বিস্তৃত তথ্যসহ দিব।)

(ঘ) ডিটেনছন কেম্পত থকা অথবা ডিটেনছন কেম্পৰ পৰা উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাৰ আধাৰত চৰ্তসাপেক্ষে জামিনত থকা কিমানজন লোকক বাংলাদেশ সীমান্তত পুশ্বেবেক কৰা হৈছিল? ইয়াৰে কিমানজন লোকক অসমলৈ পুনৰ ঘূৰাই আনিবলগীয়া হৈছে? (পুশ্বেবেক কৰা আৰু ঘূৰাই অনা লোকৰ ঠিকনাসহ তালিকা সংলগ্ন কৰিব।)

*বিষয় ঃ* **অসম বাংলাদেশ সীমা সুৰক্ষা সন্দৰ্ভত**

শ্ৰীচক্ৰধৰ গগৈ ঃ

৪৪২। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম-বাংলাদেশ সীমান্তৰ মুঠ দৈৰ্ঘ্যৰ পৰিমাণ কিমান? তাৰেই বৰ্তমানলৈকে কিমান কিলোমিটাৰ কাঁটা তাৰ বা বেৰা নিৰ্মাণ কৰা হ'ল? তথ্য জনাব।

(খ) কাঁটা তাঁৰ বা বেৰা দিয়া সীমান্তইদি বৰ্তমান সময়চোৱাত কোনো বাংলাদেশী প্ৰৱেশ কৰিছে নেকি? যদি কৰিছে, প্ৰতিৰোধৰ ব্যৱস্থা কেনেদৰে লৈছে জনাব?

(গ) অসম বাংলাদেশ সীমান্তৰ কিমান কিমান কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমা, বেৰৰ বাবে প্ৰাকৃতিক ভাৱে অসম্ভৱ? সেই অঞ্চলত বেৰৰ বাবে কি আধুনিক ব্যৱস্থা গ্ৰহণ কৰিব জনাব।

*বিষয় ঃ* **জলসিঞ্চিত ভূমিৰ পৰিমাণ**

মঃ বদৰুদ্দিন আজমল ঃ

৪৪৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৫-২০২৬ বিত্তীয় বৰ্ষত জলসিঞ্চন বিভাগৰ বাবে বাজেটত কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু কিমান টকা মোকলাই দিয়া হৈছিল?

(খ) বিভাগীয় কৰ্মচাৰী সকলৰ দৰমহা বাবদ কিমান টকা খৰচ হৈছিল আৰু নতুন আঁচনি গ্ৰহণ আৰু পুৰণা আঁচনি মেৰামতি আদিৰ বাবদ কিমান টকা খৰচ হৈছিল?

(গ) বিন্নাকান্দি সমষ্টিত বৰ্তমান কিমান ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে? কিমান আঁচনি বিকল হৈ আছে? বিকল হৈ থকা আঁচনি সমূহ পুনৰ সক্ৰিয়কৰণৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

(ঘ) হোজাই জিলাত কি কি নতুন আঁচনিৰ প্ৰস্তাৱ আছে?

*বিষয় ঃ* **কৃষকৰ পঞ্জীয়ন সম্পৰ্কে**

শ্ৰীধৰ্মেশ্বৰ ৰয় ঃ

৪৪৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমানলৈ অসমত কিমান কৃষকে কৃষকৰ পঞ্জীয়ন কৰিলে? সমষ্টি ভিত্তিত তালিকা দিব।

(খ) কৃষকৰ বাবে কৃষিৰ যন্ত্ৰপাতিৰ ওপৰত ৰাজসাহাৰ্য্য বৃদ্ধিৰ নতুন কোনো পৰিকল্পনা গ্ৰহণ কৰিছে নে? জনাব।

(গ) বৰ্তমান বজালী সমষ্টিৰ কৃষক সকলৰ বাবে উন্নত বীজ আৰু সাৰ যোগান ধৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(ঘ) বজালী সমষ্টিত কিমান হেক্টৰ কৃষি ভূমি আছে?

*বিষয় ঃ* **মথাউৰি নিৰ্মাণ সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৪৪৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এই বিভাগটোৰ অন্তৰ্গত পাকাবেতবাৰী সমষ্টিত কি কি নদ-নদী আছে? এই নদী সমূহৰ দৈৰ্ঘ্য কিমান? নদী হিচাপে তথ্য দিব।

(খ) পাকাবেতবাৰী সমষ্টিৰ অন্তৰ্গত বিভিন্ন নদীত কিমান কিলোমিটাৰ মথাউৰি নিৰ্মাণ হৈছে? তাৰ তথ্য দিব। কিমান কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰিবলৈ বাকী আছে আৰু এই বাকী থকা মথাউৰি কেতিয়া নিৰ্মাণ কৰিব? সেই বিষয়ে বিতংকৈ জনাব।

(গ) পাকাবেতবাৰী সমষ্টিত ক'ত ক'ত গৰাখহনীয়া চলি আছে আৰু এই গৰাখহনীয়া কোন কোন স্থানত হৈছে? নদীসহ খহনীয়াৰ দৈৰ্ঘ্য উল্লেখ কৰিব। এই খহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে কি কি পদক্ষেপ লৈছে? জনাব।

*বিষয় ঃ* **সুৰাৰ বিপনী সম্পৰ্কে**

ড° জয় প্ৰকাশ দাস ঃ

৪৪৬। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ চনৰ ১ এপ্ৰিলৰ পৰা ২০২১ চনৰ ৩১ মাৰ্চলৈ ৰাজ্যত কিমান সুৰাৰ বিপনী আছিল? জিলাভিত্তিক বিপনীৰ গৰাকী সহ তথ্য দাখিল কৰিব।

(খ) ২০২১ চনৰ ১ এপ্ৰিলৰ পৰা ২০২৬ চনৰ ১০ মে'লৈ ৰাজ্যত নতুনকৈ কিমান সুৰাৰ বিপনীৰ অনুজ্ঞাপত্ৰ দিয়া হ'ল? জিলা ভিত্তিক গৰাকী আৰু স্থান সহ তালিকা দাখিল কৰিব।

(গ) কি যোগ্যতাৰ ভিত্তিত নতুনকৈ সুৰাৰ অনুজ্ঞাপত্ৰ সমূহ বিগত ৫ বছৰত দিলে? তাৰ Notification সহ জিলা ভিত্তিত তথ্য দিব।

*বিষয় ঃ* **ঠিকাৰ তালিকা সন্দৰ্ভত**

ডাঃ আচিফ মঃ নাজাৰ ঃ

৪৪৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

মৰিগাঁও জিলা আয়ুক্ত কাৰ্য্যালয়ত ২০১৬ চনৰ পৰা বৰ্তমানলৈ জয়শ্ৰী এণ্টাৰপ্ৰাইজ নামৰ প্ৰতিষ্ঠানটোৰ বিভিন্ন শিতানত লাভ কৰা ঠিকাৰ তালিকা আৰু উক্ত ঠিকাৰ বিপৰীতে চৰকাৰে আদায় দিয়া ধনৰ পৰিমাণৰ খতিয়ান দিব।

---

Assam Government press 161/26-LAQ-600-13-07-2026